**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

ডিমাহাচাও জিলাৰ উমৰাংছ'ত ৩০০ ফুট দ' এটা কয়লাখনিত দ্ৰুতগতিত পানী সোমোৱাৰ ফলত আৱদ্ধ হৈ পৰা কমেও ৯ জন শ্ৰমিকক উদ্ধাৰৰ বাবে নৌ সেনাৰ ডুবাৰু নিয়োজিত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এই ঘটনাৰ বিষয়ে প্ৰকাশ কৰি কয়, যে দলটোৱে কৰা অনুমান অনুসৰি খনিটোৰ ভিতৰত পানী প্ৰায় ১০০ ফুটলৈ বৃদ্ধি পাইছে। শ্ৰমিকসকলক উদ্ধাৰৰ বাবে বিশাখাপট্টনমৰ পৰা বিমানেৰে অহা উদ্ধাৰকাৰীসকল শীঘ্ৰে সেই স্থানত উপস্থিত হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ঘটনাস্থলীত এন ডি আৰ এফ আৰু এছ ডি আৰ এফেও অভিযান অব্যাহত ৰাখিছে।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে কালি আবদ্ধসকলক উদ্ধাৰৰ বাবে সেনা বাহিনীক আহ্বান জনাইছিল। তেওঁ লগতে মন্ত্ৰীসকলক ততালিকে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিৰীক্ষণৰো নিৰ্দেশ দিছিল। জানিব পৰা মতে উমৰাংছ'ৰ ১৯ নম্বৰ কয়লাখনিত কালি পুৱা কয়লা খননৰ বাবে গৈ শ্ৰমিককেইজন আবদ্ধ হৈ পৰে। শ্ৰমিকৰ দলটো খনিটোত প্ৰৱেশ কৰাৰ পাছতে পানী সোমাই যোৱাৰ ফলত আবদ্ধ হৈ পৰা এই লোকসকলৰ উদ্ধাৰৰ বাবে ততালিকে স্থানীয় লোক আৰু আৰক্ষীয়ে চেষ্টা চলাই যদিও সফলতা লাভ কৰিবলৈ সমৰ্থ নহ'ল। সেনা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে মুখ্যমন্ত্ৰীৰ আহ্বানৰ পাছতে অভিযন্তা, ডুবাৰু আৰু অন্য প্ৰশিক্ষিত লোকৰ লগতে প্ৰয়োজনীয় সামগ্ৰীসহ সেনা বাহিনীয়ে অভিযান আৰম্ভ কৰে। এই অবৈধ খনিটো গুৱাহাটীৰ পৰা প্ৰায় ২৫০ কিলোমিটাৰ দূৰত্বৰ মেঘালয় সীমান্তৰ উমৰাংছ'ত আছে। উল্লেখযোগ্য যে ২০১৪ চনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে নিষেধাজ্ঞা আৰোপ কৰাৰ পাছতো কোনো কোনো স্থানত এনেধৰণৰ অবৈধ কয়লা খনন অব্যাহত আছে আৰু কেইবাগৰাকীও লোকে ইয়াৰ পূৰ্বে প্ৰাণ হেৰুৱাইছে।

০০০০

ৰাজ্যত কালি আৰম্ভ হোৱা চলিত বছৰৰ প্ৰথম পৰ্যায়ৰ গুণোৎসৱৰ আজি দ্বিতীয় দিনা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে লখিমপুৰ জিলাৰ পদ্মনাথ গোহাঁইবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি কাৰ্যসূচীৰ বুজ লয়। ১১ খন জিলাত হোৱা এই কাৰ্যসূচীৰ অংশ হিচাপে আজি বহিঃমূল্যায়ন কৰা হৈছে। ৭ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত হ'বলগীয়া এই গুণোৎসৱ ৰাজ্যৰ শিক্ষা খণ্ডৰ গুণগত মান নিশ্চিতকৰণৰ নিৰন্তৰ প্ৰয়াস বুলিও শিক্ষা মন্ত্ৰীয়ে মন্তব্য কৰিছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ১৩৯ খন বিদ্যালয়ৰ ১৯ হাজাৰ ২৮৫ গৰাকী শিক্ষাৰ্থীৰ এই পৰ্যায়ত বহিঃমূল্যায়ণ কৰা হৈছে। কালি কাৰ্যসূচীৰ প্ৰথম দিনা শিক্ষাৰ্থীসকলৰ স্বমূল্যায়ন কৰা হৈছিল। জিলাখনত গুণোৎসৱৰ বাবে ৰাজ্য চৰকাৰৰ ৬ গৰাকী জ্যেষ্ঠ বিষয়াক বহিঃমূল্যায়ক হিচাপে নিযুক্তি দিয়া হৈছে। কোকৰাঝাৰ জিলাতো আজি গুণোৎসৱৰ বহিঃমূল্যায়ন কৰা হৈছে। কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰীয়ে আজি কোকৰাঝাৰ

চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু মজলীয়া বিদ্যালয়ৰ এই কাৰ্যসূচীত অংশ লয়। শিৱসাগৰ জিলাতো এহেজাৰ ২৪১ খন শিক্ষানুষ্ঠানৰ ৭০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীক সামৰি গুণোৎসৱ অনুষ্ঠিত হৈছে।

০০০০

আজি পুৱা প্ৰায় ৬ বাজি ৩৭ মিনিটত এটা ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ভূমিকম্পৰ উৎপত্তিৰ স্থল নেপালৰ কাঠমাণ্ডুৰ পৰা প্ৰায় ২৮০ কিলোমিটাৰ উত্তৰ দিশত আৰু মাউণ্ট এভাৰেষ্টৰ পৰা প্ৰায় ৯০ কিলোমিটাৰ দূৰত্বত বুলি জানিব পৰা গৈছে। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য ৭ দশমিক ১ বুলি প্ৰকাশ কৰা হৈছে। নেপালৰ লবুছেৰ পৰা ৯৩ কিলোমিটাৰ নিলগলৈ এই ভূমিকম্পৰ প্ৰৱল জোকাৰণি অনুভূত হয়। ভাৰতৰ অন্যান্য স্থানৰ লগতে অসমতো আজি এই ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। অৱশ্যে এতিয়ালৈ এই ভূমিকম্পৰ ক্ষয়-ক্ষতি সম্পৰ্কে কোনো তথ্য পোৱা হোৱা নাই। উল্লেখযোগ্য যে, ২০১৫ চনৰ এপ্ৰিলত নেপালত হোৱা ৭ দশমিক ৮ প্ৰাবল্যৰ প্ৰচণ্ড ভূমিকম্পত প্ৰায় ৯ হাজাৰ লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ২০ হাজাৰতৈকেও অধিক লোক আহত হৈছিল।

০০০০

মধ্যপ্ৰদেশৰ ভূপালত কালি সামৰণি পৰা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত অসম দলক প্ৰতিনিধিত্ব কৰা শিশু বিজ্ঞানী ত্ৰিতিক্ষা শইকীয়াৰ প্ৰকল্পটো দেশৰ অন্যতম ২০ টা প্ৰকল্পৰ ভিতৰত অন্তৰ্ভুক্ত হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই এই বিষয়ে প্ৰকাশ কৰে। তেজপুৰৰ বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰী ত্ৰিতিক্ষাৰ সৈতে শিশু বিজ্ঞানী লয়নাশ্ৰী শইকীয়া আৰু প্ৰকল্পৰ পৰামৰ্শদাতা নীতিশ হাজৰিকাকো মন্ত্ৰীগৰাকীয়ে অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে এই সমাৰোহত অসমৰ ২৩ জনীয়া শিশু বিজ্ঞানীৰ দল এটা অংশগ্ৰহণ কৰিছিল।

০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি সামৰণি পৰিব। ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়াকৈ অনুষ্ঠিত গ্ৰন্থমেলাৰ বাকৰিত আজিও পুৱাৰে পৰা বহু লোকৰ সমাগম হৈছে। আজি অন্তিম দিনা বিয়লি হ'বলগীয়া সামৰণি অনুষ্ঠানত অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই সভাপতিৰূপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ সচিব তথা শৈক্ষিক মুৰব্বী ড০ সচ্চিদানন্দ যোশী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব। উল্লেখযোগ্য যে গ্ৰন্থমেলাৰ বাকৰিত কালি উপন্যাস সাহিত্য - তত্ব, শৈলী আৰু বিষয়বস্তু শীৰ্ষক আলোচনা চক্ৰৰ আঁত ধৰে বিশিষ্ট ঔপন্যাসিক অনুৰাধা শৰ্মা পুজাৰীয়ে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, লেখক ড০ জয়ন্ত মাধৱ বৰাই উপন্যাসক মানুহৰ জীৱনক পৰিপূৰ্ণভাৱে স্বীকৃত কৰিব পৰা এটা মাধ্যম বুলি উল্লেখ কৰে।

০০০০

সমাপ্ত